**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-09-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিশ্বজুৰি অস্থিৰতা আৰু অনিশ্চয়তাৰ মাজতে ভাৰতৰ উল্লেখনীয় বিকাশ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰিব।

৩। উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাইছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীৰ সেনাৰ মুখ্য কাৰ্যালয়ত স্বচ্ছতাই সেৱা কাৰ্যসূচীৰ অংশ হিচাপে অনাময় কৰ্মীসকলক সম্বৰ্ধনা জনায়।

আৰু

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

বিশ্বজুৰি অস্থিৰতা আৰু অনিশ্চয়তা সত্ত্বেও ভাৰতৰ উল্লেখনীয় বিকাশ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। উত্তৰ প্ৰদেশৰ গ্ৰেটাৰ নয়ডাত আজি পুৱা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনী উদ্বোধন কৰি শ্ৰী মোদীয়ে কয়, যে কোনো বাধাই ভাৰতক লক্ষ্যৰ পৰা বিভ্ৰান্ত কৰিব পৰা নাই। এনে পৰিস্থিতিৰ মাজতেই দেশে নতুন লক্ষ্য আৰু নতুন সুযোগ বিচাৰি লৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই বাধাসমূহৰ মাজতে ভাৰতে অনাগত দশকৰ বাবে নিজৰ ভেটি সবল কৰি তুলিছে। ভাৰত আত্মনিৰ্ভৰশীল হব লাগিব বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে ভাৰতত নিৰ্মাণ কৰিব পৰা সকলো সামগ্ৰীয়েই থলুৱাভাৱে নিৰ্মাণ কৰা উচিত। চৰকাৰে এইক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশত শক্তিশালী প্ৰতিৰক্ষা খণ্ড বিকশাই তোলা হৈছে আৰু ইয়াৰ জৰিয়তে প্ৰতিটো সামগ্ৰীতে মেড ইণ্ডিয়া চিহ্ন থকা পৰিস্থিতি তন্ত্ৰ গঢ়ি তোলা হব। তেওঁ লগতে কয়, যে উত্তৰ প্ৰদেশত এটা প্ৰতিৰক্ষা কৰিডৰ বিকশাই তোলা হৈছে, যত ব্ৰহ্মছ ক্ষেপনাস্ত্ৰকে ধৰি অন্যান্য ক্ষেপনাস্ত্ৰ ব্যৱস্থা নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ভাৰতে ইউ পি আই, আধাৰ, ডিজি লকাৰ, অ এন ডি চিৰ দৰে মুক্ত মঞ্চ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে ইয়াৰ জৰিয়তে সকলোকে এখন মঞ্চ প্ৰদান তথা সকলোৰে প্ৰগতি নিশ্চিত কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীত দুহেজাৰ দুশৰো অধিক গোটে তেওঁলোকৰ সামগ্ৰীসমূহ প্ৰদৰ্শন কৰাত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাছিয়া হৈছে এই বৰ্ষৰ বাণিজ্য প্ৰদৰ্শনীখনৰ অংশীদাৰী ৰাষ্ট্ৰ।

উল্লেখযোগ্য যে এই প্ৰদৰ্শনীৰ জৰিয়তে ৰাজ্যখনৰ বৈচিত্ৰ্যপূৰ্ণ শিল্প পৰম্পৰা, আধুনিক উদ্যোগ, শক্তিশালী অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আৰু যুৱ উদ্যোগীসকলক একেখন মঞ্চলৈ অনাৰ প্ৰয়াস কৰা হৈছে। প্ৰদৰ্শনীত হস্ততাঁত, বস্ত্ৰশিল্প, খাদ্য প্ৰসংস্কৰণ, তথ্য প্ৰযুক্তি আদি ক্ষেত্ৰৰ সৈতে জড়িত ভালেমান সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী ৰাজস্থানলৈ যাব আৰু এক লাখ ২২ হাজাৰ ১০০ কোটি টকা সম্বলিত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে অন্যান্য ভালেমান প্ৰকল্প উদ্বোধন কৰিব।

ooooooooooooooo

———ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰিব। ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা দেশৰ পুৰণি আৰু সন্মানীয় বঁটাসমূহৰ ভিতৰত অন্যতম। ভূ-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব আৰু অৱদান আগবঢ়োৱাৰ বাবে ব্যক্তিগত আৰু দলীয়ভাৱে এই সন্মান আগবঢ়োৱা হয়। খনি মন্ত্ৰ্যালয়ে প্ৰত্যেক বছৰে তিনিটা শাখাত এই বঁটাসমূহ প্ৰদান কৰে। এই বঁটাসমূহ হৈছে – আজীৱন কৃতিত্বৰ বাবে ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা আৰু ৰাষ্ট্ৰীয় যুৱ ভূ-বিজ্ঞানী বঁটা।

অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবেও উপস্থিত থাকিব।

ooooooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে পণ্ডিত দীনদয়াল উপাধ্যায়ে অতি সাধাৰণ জীৱন-যাপন কৰিছিল আৰু মৃত্যুৰ সময়ত তেওঁৰ হাতত কেৱল ৫ টকা আছিল। তেওঁ কয়, যে পণ্ডিতগৰাকীয়ে সংস্কৃতিৰ সৈতে শিপাই থকা এখন দেশ তথা সহমৰ্মিতা আৰু মানৱতাৰে পূৰ্ণ এখন ভাৰতৰ সপোন দেখিছিল। তেওঁৰ জীৱন একাত্ম মানৱতাবাদৰ পৰিচায়ক আছিল বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পণ্ডিত দীনদয়াল উপাধ্যায়ক জন্মবাৰ্ষিকীত সুঁৱৰি কয়, যে তেওঁ ভাৰত মাতৃৰ সুযোগ্য সন্তান আৰু একাত্ম মানৱতাবাদৰ পোষক আছিল। এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে সমৃদ্ধিৰ দিশত দেশক আগবঢ়াই নিয়া তেওঁৰ জাতীয়তাবাদী ধ্যান ধাৰণা তথা অন্ত্যোদয়াৰ মূল মন্ত্ৰ, সমৃদ্ধিশালী ভাৰত নিৰ্মাণৰ যাত্ৰাত গুৰুত্বপূৰ্ণ হৈ ৰ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মবাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ooooo

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে। এই সন্দৰ্ভত আমাৰ এক বিশেষ প্ৰতিবেদন –

চৰকাৰে ব্যৱসায়ী, কাৰিকৰ তথা গ্ৰাহকসকলৰ ব্যয় কম কৰাৰ লক্ষ্যৰে হস্ত-শিল্প খণ্ডত কৰ হ্ৰাস কৰিছে। এই অনুসৰি কাঠ, শিল অথবা ধাতুৰে নিৰ্মিত প্ৰতিমূৰ্তিত জি এছ টি ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। একেদৰে পেইণ্টিং, হাতেৰে নিৰ্মিত মম, কাঠত খোদিত সামগ্ৰী আৰু মাটিৰে নিৰ্মিত পাকঘৰত ব্যৱহাৰ্য সামগ্ৰী আৰু টেৰাকোটাৰ সামগ্ৰীত কৰ হ্ৰাস কৰা হৈছে। মৰাপাট আৰু কপাহেৰে নিৰ্মিত হেণ্ড বেগ আৰু বজাৰৰ মোনাত জি এছ টি পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

ooooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে সেৱা পৰ্ব উপলক্ষে আজি বিয়লি ৩ বাজি ২ মিনিটত 'বিশ্ব শক্তিৰূপে ভাৰতবৰ্ষৰ উত্থান' শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰিব। আলোচনাত ভাগ ল'ব উদ্যমী মহিলা জুৰি শৰ্মা বৰদলৈ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকাই।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীৰ সেনাৰ মুখ্য কাৰ্যালয়ত স্বচ্ছতাই সেৱা কাৰ্যসূচীৰ অংশ হিচাপে অনাময় কৰ্মীসকলক সম্বৰ্ধনা জনায়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰী সিঙে কয়, যে স্বচ্ছ ভাৰত অভিযানে যিদৰে এটা বিপ্লৱৰ

দৰে দেশৰ প্ৰতিজন লোকক সামৰি লৈছে, সেয়া সঁচাকৈয়ে অভূতপূৰ্ব। দেশে এই বিপ্লৱৰ অংশ হিচাপে আজি স্বচ্ছতা দিৱস উদয্াপন কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত চীফ্ অব্ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী আৰু বায়ু সেনা প্ৰধান এয়াৰ চীফ মাৰ্শ্বেল এ পি সিং উপস্থিত থাকে।

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী তথা বিজেপিৰ সভাপতি জে পি নাড্ডাইও আজি নতুন দিল্লীত স্বচ্ছতাই সেৱা কাৰ্যসূচীত অংশ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী নাড্ডাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত হৈ আৰম্ভ কৰা স্বচ্ছতাৰ প্ৰতিটো কাৰ্য হৈছে – পৰিচ্ছন্ন ভাৰতৰ দিশত আমাৰ সকলোৰে কৰ্তব্যৰ প্ৰতি এক প্ৰকাৰৰ শ্ৰদ্ধাঞ্জলি। তেওঁ লগতে এই অভিযানত সকলোকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে আজি ৰাষ্ট্ৰীয় ৰাজধানীখনৰ কালিন্দী কুঞ্জ ঘাটত স্বচ্ছতাৰ অভিযানত অংশ লয়। শ্ৰী পাটিলে কয়, যে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মবাৰ্ষিকী উপলক্ষে আজি চৰকাৰে যমুনা নদী পৰিষ্কাৰৰ সংকল্পৰে কাম কৰিছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে নিৰ্মাণ ভৱনত স্বচ্ছতাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আজি এদিনীয়া ভ্ৰমণসূচী লৈ উত্তৰ প্ৰদেশৰ বৃন্দাবনলৈ গৈছে। তেওঁ এখন বিশেষ ৰে'লযোগে দিল্লীৰ চফ্‌ড্‌ৰজং ৰে'লৱে ষ্টেচনৰ পৰা বৃন্দাবন ৰোড ৰে'লৱে ষ্টেচনত উপস্থিত হোৱাৰ পাছতেই উত্তৰ প্ৰদেশৰ মন্ত্ৰী লক্ষ্মীকান্ত চৌধাৰীয়ে আদৰণি জনায়।

এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে শ্ৰী বাংকে বিহাৰি মন্দিৰ, নিধিবন আৰু কুবজা কৃষ্ণ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। তেওঁ শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰা দৰ্শন কৰাৰ লগতে পূজাও আগবঢ়াব।

০০০০০০০

ভাৰত পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ দ্বিতীয়খন খেলত ভাৰতে যোৱানিশা বাংলাদেশক ৪১ ৰাণত পৰাস্ত কৰে।

ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। ভাৰতৰ অভিষেক শৰ্মাই ৩৭ টা বলত ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত বাংলাদেশে ছৈফ হাছানৰ ৬৯ ৰানৰ বৰঙণিৰ পাছতো নিৰ্ধাৰিত ১৯ অ'ভাৰ আৰু ৩ টা বলত ১২৭ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ কুলদ্বীপ যাদৱে ৩টা আৰু বৰুণ চক্ৰৱৰ্তী আৰু জচপ্ৰিত বুমৰাহে দুটাকৈ উইকেট দখল কৰে। খেলখনত কৰা অনবদ্য প্ৰদৰ্শনৰ বাবে অভিষেক শৰ্মাক প্লেয়াৰ অৱ দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি ডুবাইত নিশা ৮ বজাত ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত বাংলাদেশ পাকিস্তানৰ মুখামুখি হ'ব। এই খেলখনৰ ফলাফলে প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হ'বলগা দ্বিতীয়টো দল নিৰ্ধাৰণ কৰিব।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড চমুকৈ বি চি চি আইয়ে যোৱা ২১ ছেপ্তেম্বৰত এছিয়া কাপৰ ছুপাৰ ফ'ৰ মেচৰ সময়ত পাকিস্তানী ক্ৰিকেটাৰ চাহিবজাদা ফাৰহান আৰু হেৰিচ ৰৌফৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে অভিযোগ দাখিল কৰিছে। ভাৰতীয় দলে অভব্য আচৰণৰ দুয়োগৰাকী খেলুৱৈৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। পাকিস্তানৰ ইনিংছৰ সময়ত অ'পেনাৰ চাহিবজাদা ফাৰহানে তেওঁৰ বেটখন বন্দুকৰ দৰে টোৱাই অৰ্ধশতক উদযাপন কৰিছিল। গোচৰটো আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আৰু মেচ ৰেফাৰী এন্দি পাইক্ৰফ্টৰ ওচৰত দাখিল কৰা হৈছে।

০০০০০০০০০

সমাপ্ত